জাতিৰ আৱেগ সমাজৰ বিৱেক

# দৈনিক জনমভূমি

ortal : www.dainikjanambhumi.com e-paper : www.dainikjanambhumi.co.in Dainik Janambhumi

তম বছৰ, সংখ্যা ২৬৫ ● বৃহস্পতিবাৰ ● ২১ জেঠ ১৯৪৭ শক RNI No. ASSASS/2006/16737 DAINIK JANAMBHUMI Tinsukia Thursday June 5, 2025 ● ১৪ পৃষ্ঠা ● তিনিচুকীয়া, যোৰহাট, গুৱাহাটী আৰু বঙাইগাঁৱ

## নামৰূপৰ সমাজসেৱক সুৰেন গগৈৰ মৃত্যু



নামৰূপ ঃ নিজা সংবাদদাতা, ৪ জুন ঃ নামৰূপৰ বিশিষ্ট সমাজসেৱক, শ্ৰমিক নেতা, নামৰূপ সাৰ কাৰখানাৰ অৱসৰপ্ৰাপ্ত বিষয়া সুৰেন গগৈৰ(৬৫) আজি ডিব্ৰুগড়স্থিত ব্ৰহ্মপুত্ৰ নাৰ্ছিংহ'মত মৃত্যু হয়। নামৰূপ সাৰ কাৰখানাৰ চতুৰ্থ গোট নিৰ্মাণৰ বাবে দুই দশক ধৰি অব্যাহত থকা আন্দোলনৰ অন্যতম গুৰি ধৰোঁতা গগৈয়ে ১৯৯৬ চনত ভাৰতীয় জনতা পাৰ্টিৰ প্ৰাৰ্থী হিচাপে নাহৰকটীয়া বিধানসভা সমষ্টিত প্ৰতিদ্বন্দ্বিতা আগবঢ়াই ছিল। প্ৰয়াত গগৈ পৰ্যায়ক্ৰমে ফাৰ্টিলাইজাৰ শ্ৰমিক ...ট ইউনিয়নৰ সভাপতি, সাধাৰণ

## কানৈ মহাবিদ্যালয়ত গছে গছে 'কিউ আৰ ক'ড' অভিযানেৰে বিশ্ব পৰিৱেশ দিৱস

ডিব্ৰুগড় ঃ ষ্টাফ ৰিপৰ্টাৰ, ৪ জুন ঃ বিশ্ব পৰিৱেশ দিৱস উপলক্ষে ডি এইচ এছ কানৈ মহাবিদ্যালয়ে(স্বায়ত্তশাসন) এই বছৰ এক ব্যতিক্ৰমী কাৰ্যসূচী হিচাপে 'গছে গছে কিউ আৰ ক'ড' অভিযান পালন কৰিব আৰু সকলো দল-সংগঠন, ব্যক্তিক এনে কাৰ্যসূচী গ্ৰহণ কৰিববৈলে আহ্বান জনাইছে। এই বছৰ মহাবিদ্যালয় চৌহদৰ প্ৰতিজোপা গছত কিউ আৰ ক'ড সংযুক্ত কৰাৰ ব্যৱস্থা কৰিছে, যাতে ছাত্ৰ-ছাত্ৰীৰ লগতে যিকোনো ব্যক্তিয়ে স্কেন কৰিলে সেই গছজোপাৰ বিষয়ে তথ্য লাভ কৰিব পাৰে। প্ৰতিজোপা গছ-গছনিৰ নাম সকলোৱে জানিব পৰাকৈ গছ- গছনিক প্ৰযুক্তিৰ মাধ্যমেৰে চিনাক্ত কৰি প্ৰত্যেকজোপা গছত 'কিউ আৰ ক'ড' লগাই গছ-বিৰিখক ভালপোৱাৰ আন্দোলনত ভাগ ল'বলৈ আহ্বান জনাইছে মহাবিদ্যালয়খনে। এটা প্ৰেছ বিবৃতিত মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই জনায় যে — এনে 'কিউ আৰ ক'ড'ৰ যোগেদি গছ-গছনিৰ নামকৰণ কৰিলে উঠি অহা প্ৰজন্মক প্ৰকৃতিক ভালপোৱাৰ অনুপ্ৰেৰণা যোগাব পাৰে। কিউ আৰ ক'ডত সংযোগকাৰী ব্যক্তিৰ নাম, ঠিকনা, প্ৰকৃতিক ভালপোৱাৰ বাণী সংযোগ কৰিব পাৰিলে ম'বাইলৰ যোগেদি অনুসন্ধিৎসু লোকে স্কেন কৰি গছজোপাৰ বিষয়ে জানিব পাৰিব। ইয়াৰ অংশ হিচাপে মহাবিদ্যালয়খনৰ চৌহদত থকা গছ-গছনিক কিউ আৰ ক'ডৰ সংযোজন কৰাৰ কাৰ্যসূচী গ্ৰহণ কৰিছে। প্ৰতিজোপা গছত কিউ আৰ ক'ড সংযোজন কৰি গছজোপাৰ বৈজ্ঞানিক নাম, থলুৱা নামৰ লগতে গছজোপাৰ বিষয়ে ব্যাখ্যাও আগবঢ়োৱাৰ কাৰ্যসূচী লৈছে। আনহাতে, বিশ্ব পৰিৱেশ দিৱস উপলক্ষে মহাবিদ্যালয়খনৰ চৌহদত 'গ্ৰীন কৰ্ণাৰ' শীৰ্ষক এক 'গ্ৰীন ছেল্‌ফি স্পট'ৰো ব্যৱস্থা কৰিছে। মহাবিদ্যালয় চৌহদত থকা কেইবাটাও জিৰণি ঘৰত স্থায়ীকৈ 'বিশ্ব পৰিৱেশ দিৱস', 'বিশ্ব জৈৱ-বৈচিত্ৰ্য দিৱস' আদি নামকৰণ কৰি প্ৰকৃতিক ভালপোৱাৰ এক আন্দোলন গঢ়ি তোলাৰ প্ৰয়াস চলাইছে। এইজিৰণি ঘৰসমূহত যিসকলে জিৰণি লয় সেইসকলে যাতে সেই মুহূৰ্তটোত প্ৰকৃতিক ভালপোৱাৰ, পৰিৱেশক ভালপোৱাৰ অনুভৱ কৰিব পাৰে।

জিলা চুতীয়া ছাত্ৰ সন্থ...
ছাত্ৰ-ছাত্ৰীৰ 'অভিনন্দন...
উচ্চতৰ মাধ্যমিক চূড়া...
চুতীয়া জনগোষ্ঠীৰ ছা...
অৰ্থে অনুষ্ঠানটো অনু...
কল্লোল প্ৰেক্ষাগৃহত তি...
সভাপতিনয়নজ্যোতি...
সভাখনৰ আৰম্ভণিতে...
মাল্যাৰ্পণ আৰু বন্তি প্ৰ...
ছাত্ৰ সন্থাৰ উপদেষ্টা ব...
সম্পাদক গংগাধৰ শই...
উদ্বোধন কৰে সদৌ ...
সম্পাদক ব্ৰজেন ভুঞা...
পঢ়া-শুনা কৰি নিজৰ...
কৰিববৈলে আহ্বান জনা...
ড° কমলেশ্বৰ কলিত...
ছাত্ৰীসকলে কিদৰে নি...
সেই বিষয়ে বক্তব্য আ...
আখৰেৰে লিপিবদ্ধ কৈ...

No. DRA 11/2025

It is hereby ...
**Land Purchase ...**
**0.2Ls from the fo...**
**By Way of Negot...**